**অনুবন্ধ-6**

**মাৰ্গদৰ্শন টোকা - বিনিয়োগকাৰীৰ বাবে এক্সচেঞ্জ (সমূহ)ত ট্ৰেডিং কৰিবৰ বাবে কৰণীয় আৰু অকৰণীয় বিষয়সমূহ**

**আপোনাৰ দ্বাৰা ট্ৰেডিং আৰম্ভ কৰাৰ পূৰ্বে**

1. সুনিশ্চিত কৰক যে আপুনি কেৱল SEBI পঞ্জীভূক্ত মধ্যৱৰ্তীৰ সৈতে তথা জৰিয়তে চুক্তি কৰে। আপুনি ষ্টক এক্সচেঞ্জ **www.exchange.com** আৰু SEBI-ৰ ৱেবছাইট **www.sebi.gov.in** ত উপলব্ধ তালিকাৰ পৰা তেওঁলোকৰ SEBI পঞ্জীভুক্ত প্ৰমাণ-পত্ৰৰ সংখ্যাৰ পৰীক্ষা কৰিব পাৰে।
2. সুনিশ্চিত কৰক যে আপুনি KYC ফৰ্ম সম্পূৰ্ণৰূপে পূৰাইছে আৰু KYC ফৰ্মত খালী স্থানসমূহ কাটি দিছে।
3. সুনিশ্চিত কৰক যে আপুনি সকলো অনিবাৰ্য নথিপত্ৰ অৰ্থাৎ ষ্টক ব্ৰ'কাৰৰ অধিকাৰ আৰু দায়িত্ব, ক্ষতিশংকা প্ৰকটকৰণ নথিপত্ৰ, নীতি আৰু প্ৰক্ৰিয়া নথিপত্ৰ পঢ়ি ল'লে।
4. সুনিশ্চিত কৰক যে আপুনি আপোনাৰ আৰু ষ্টক ব্ৰ'কাৰৰ মাজত সন্মত ঐচ্ছিক দফা, যদি আছে, তেন্তে পঢ়ি, বুজি ল'লে আৰু তাৰ পিছত স্বাক্ষৰ কৰিলে। মনত ৰাখিব যে আপোনাৰ ষ্টক ব্ৰ'কাৰৰ মাজত হোৱা সন্মতি অনুসৰি দফাসমূহৰ আপোনাৰ সন্মতিৰ অবিহনে সলনি কৰিব পৰা নাযাব।
5. ট্ৰেডিঙৰ বাবে আপোনাৰ ব্ৰ'কাৰৰ দ্বাৰা লগোৱা সকলো ব্ৰ'কাৰেজ, কমিচন, শুল্ক আৰু অন্য মূল্যসমূহ আৰু SEBI/ষ্টক এক্সচেঞ্জৰ দ্বাৰা নিৰ্দিষ্ট প্ৰাসংগিক চৰ্তসমূহ/মাৰ্গদৰ্শিকাৰ বিষয়ে স্পষ্ট জাননী প্ৰাপ্তি কৰক।
6. ষ্টক ব্ৰ'কাৰৰ পৰা আপোনাৰ দ্বাৰা সম্পাদন কৰা সকলো নথিপত্ৰৰ এটা প্ৰতিলিপি বিনামূলীয়াকৈ প্ৰাপ্তি কৰক।
7. যদি আপুনি আপোনাৰ বেংক আৰু ডিমেট একাউন্ট পৰিচালনাৰ বাবে, ষ্টক ব্ৰ'কাৰক প্ৰাধিকৃত কৰি তেওঁৰ পক্ষত পাৱাৰ অফ এটৰ্নী/ন্যায়বাদী (POA) কাৰ্যকৰী কৰাৰ ইচ্ছা কৰে তেন্তে অনুগ্ৰহ কৰি এই সম্পৰ্কত SEBI/এক্সচেঞ্জৰ দ্বাৰা জাৰি কৰা মাৰ্গদৰ্শিকা চাওক।

**লেনদেন আৰু বন্দৰস্তি**

8. ষ্টক ব্ৰ'কাৰে ইলেক্ট্ৰ'নিক কনট্ৰেক্ট নোট (ECN) জাৰি কৰিব পাৰে যদি বিশেষভাৱে লিখিতত আপোনাৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়। ইয়াৰ বাবে আপুনি ষ্টক ব্ৰ'কাৰক আপোনাৰ ই-মেইল ID প্ৰদান কৰিব লাগিব। যদি আপুনি কম্পিউটাৰৰ জাননী নাৰাখে তেন্তে ECN বাছি নল'ব।
9. কোনো ব্যক্তিক আপোনাৰ ইন্টাৰনেট ট্ৰেডিং একাউন্টৰ পাছৱৰ্ডৰ বিষয়ে জানিবলৈ নিদিব।
10. ষ্টক ব্ৰ'কাৰক নগদ ধন হিচাপে আদায় নিদিব।
11. ষ্টক ব্ৰ'কাৰৰ পক্ষত একাউন্ট পেয়ী চে'কৰ দ্বাৰা আদায় দিয়ক। চাব ব্ৰ'কাৰৰ নামত চে'ক জাৰি নকৰিব। সুনিশ্চিত কৰক যে আপোনাৰ ওচৰত তাৰিখ, স্ক্ৰিপ, পৰিমাণ, কোন বেংক/ডিমেট একাউন্টত বা কোন বেংক/ডিমেট একাউন্টৰ পৰা এই ধন বা প্ৰতিভূতিসমূহ জমা কৰা হয়, এইটো উল্লেখ কৰি ষ্টক ব্ৰ'কাৰৰ সৈতে আপোনাৰ আদায়/প্ৰতিভূতিসমূহৰ জমাৰ লেখ্য প্ৰমাণ থাকে।
12. মনত ৰাখিব যে ট্ৰেড সত্য নিৰূপণৰ সুবিধা ষ্টক এক্সচেঞ্জসমূহৰ ৱেবছাইটত উপলব্ধ, য'ত কনট্ৰেক্ট নোটত উল্লিখিত ট্ৰেডৰ বিৱৰণৰ সত্যাৰ্পিত কৰিব পৰা যায়। য'ত ৱেবছাইটত দিয়া ট্ৰেড বিৱৰণ কনট্ৰেক্ট নোটত উল্লিখিত বিৱৰণৰ সৈতে নিমিলে তেন্তে ততালিকে সুসংগত ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাত যোগাযোগ কৰক।
13. যদি আপুনি একাউন্টৰ পৰিচালনা কৰা, ধন আদায় দিয়া বা প্ৰতিভূতিসমূহৰ ডেলিভাৰী কৰা (বিষয় অনুসৰি)ৰ বাবে বিশেষ অধিকাৰ দিয়ে, তেন্তে আপোনাক এক্সচেঞ্জৰ পৰা আদায়ৰ ৰচিদ প্ৰাপ্তি হোৱাৰ পৰা এটা কাৰ্যকৰী দিনৰ ভিতৰত উপলব্ধ কৰাব পৰা নাযাব। এই ধৰণে ষ্টক ব্ৰ'কাৰে আপোনাৰ বাবে নিম্নলিখিত স্থিতিসমূহৰ অধীন একাউন্টৰ পৰিচালনা কৰিব:
    a) আপোনাৰ দ্বাৰা দিয়া এনে প্ৰাধিকৰণ, কেৱল আপোনাৰ দ্বাৰা স্বাক্ষৰিত হ'ব আৰু ইয়াত সেই দফা অন্তৰ্ভুক্ত হ'ব যাক আপুনি যিকোনো সময়তে প্ৰত্যাহাৰ কৰিব পাৰে।
    b) পুঁজিসমূহ আৰু প্ৰতিভূতিসমূহৰ প্ৰকৃত বন্দৰস্তি আপোনাৰ প্ৰাথমিকতাৰ ভিত্তিত এক কেলেণ্ডাৰ ত্ৰৈমাসিক বা মাহে অতি কমেও এবাৰ ষ্টক ব্ৰ'কাৰৰ দ্বাৰা কৰা হ'ব। একাউন্টৰ বন্দৰস্তিৰ সময়ত ষ্টক ব্ৰ'কাৰে আপোনাক

পুঁজিসমূহৰ গ্ৰাহক লেজাৰৰ পৰা সাৰাংশ আৰু পুঁজিসমূহ তথা প্ৰতিভূতিসমূহৰ সকলো প্ৰাপ্তি/ডেলিভাৰী প্ৰদৰ্শিত কৰা প্ৰতিভূতিসমূহৰ ৰেজিষ্টাৰৰ পৰা সাৰাংশ অন্তৰ্ভুক্ত কৰি 'একাউন্ট খতিয়ান' পঠিয়াব। এই খতিয়ানত পুঁজিসমূহ আৰু প্ৰতিভূতিসমূহৰ ধাৰণ আৰু বন্ধকত থোৱা শ্বেয়াৰৰ সবিশেষৰ উল্লেখ থাকিব।

c) বন্দৰস্তিৰ তাৰিখত ষ্টক ব্ৰ'কাৰে বকেয়া বাধ্যবাধকতাৰ দিশত প্ৰয়োজনীয় প্ৰতিভূতিসমূহ/পুঁজিসমূহ বাহাল ৰাখিব পাৰে আৰু এক্সচেঞ্জসমূহৰ দ্বাৰা নিৰ্দিষ্ট উপায়েৰে গণনা কৰি পৰৱৰ্তী 5 ট্ৰেডিং দিনৰ বাবে ডিৰাইভেটিভ মাৰ্জিন বাধ্যবাধকতা পূৰণ কৰিবৰ বাবে আৱশ্যকীয়া পুঁজিসমূহো ৰাখিব পাৰে। নগদ বজাৰত লেনদেনৰ ক্ষেত্ৰত ষ্টক ব্ৰ'কাৰে বন্দৰস্তিৰ তাৰিখত আৰু পৰৱৰ্তী দিনৰ লেনদেনৰ বাবে গ্ৰাহকৰ ওচৰত অৱশিষ্ট ধন আৰু প্ৰতিভূতিসমূহৰ বাধ্যবাধকতাৰ সম্পূৰ্ণ আদায় বাহাল ৰাখিব পাৰে, সেই নগদ বজাৰত এই ধৰণৰ বন্দৰস্তিৰ দিনত কৰা লেনদেনসমূহৰ মূল্যৰ সীমালৈকে পুঁজিসমূহ/প্ৰতিভূতিসমূহ/মাৰ্জিন বাহাল ৰাখিব পাৰে।

d) বিষয় অনুসৰি আপোনাক পুঁজিসমূহ/প্ৰতিভূতিসমূহ বা বিৱৰণৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা অধিকতৰ 7 (সাত) কাৰ্যকৰী দিনৰ ভিতৰত একাউন্ট বা বন্দৰস্তি বিৱৰণৰ পৰা উৎপন্ন হ'বলগীয়া যিকোনো বিবাদৰ বিষয়ে লিখিতত ষ্টক ব্ৰ'কাৰৰ দৃষ্টিলৈ অনা আৱশ্যক হয়। বিবাদৰ ক্ষেত্ৰত বিলম্ব নকৰাকৈ সুসংগত ষ্টক এক্সচেঞ্জসমূহৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাৰ ক্ষেত্ৰত লিখিত হিচাপে অৱগত কৰক।

14. যদি আপুনি একাউন্ট পৰিচালিত কৰাৰ বিকল্প বাছি লোৱা নাই আৰু ধন/প্ৰতিভূতিসমূহৰ আদায় এক্সচেঞ্জসমূহৰ পৰা আদায় প্ৰাপ্তি হোৱাৰ পৰৱৰ্তী কাৰ্যকৰী দিনৰ প্ৰাপ্তি হোৱা নাই, তেন্তে তেনে বিষয়ৰ ক্ষেত্ৰত ষ্টক ব্ৰ'কাৰৰ সৈতে যোগাযোগ কৰক। যিকোনো বিবাদৰ ক্ষেত্ৰত সুনিশ্চিত কৰক যে আপুনি ততালিকে সুসংগত ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাত লিখিত হিচাপে গোচৰ তৰিছে।
15. ষ্টক এক্সচেঞ্জসমূহৰ পৰা দিনটোৰ লেনদেনৰ অন্তত, SMS বা ই-মেইলৰ জৰিয়তে ট্ৰেড দৃঢ় প্ৰতিপন্নতা সজাগতা/লেনদেনৰ বিৱৰণ প্ৰাপ্তিৰ বাবে অনুগ্ৰহ কৰি ষ্টক ব্ৰ'কাৰৰ ওচৰত আপোনাৰ ম'বাইল নম্বৰ আৰু ই-মেইল আইডি পঞ্জীয়ন কৰাওক।

**ট্ৰেডিং সদস্যপদৰ সমাপ্তিৰ ক্ষেত্ৰত**

16. যদি এজন ষ্টক ব্ৰ'কাৰে তেওঁৰ সদস্যপদ সমৰ্পণ কৰে, তেওঁক সদস্যপদৰ পৰা বহিষ্কাৰ কৰা হয় বা গৰহাজিৰ (ডিফ'ল্টাৰ) বুলি ঘোষণা কৰা হয়; তেন্তে ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰীৰ পৰা কেৱল ষ্টক এক্সচেঞ্জসমূহৰ ''ট্ৰেডিং ছিষ্টেম সম্পাদিত লেনদেন''ৰ সম্পৰ্কীয় দাবী আমন্ত্ৰিত কৰি এক ৰাজহুৱা জাননী জাৰি কৰে। সুনিশ্চিত কৰক যে আপুনি নিৰ্ধাৰিত ম্যাদৰ ভিতৰত আৰু সমৰ্থিত নথিপত্ৰৰ সৈতে সুসংগত ষ্টক এক্সচেঞ্জসমূহৰ সমকক্ষ এটা দাবী দাখিল কৰে।
17. ষ্টক ব্ৰ'কাৰৰ সৈতে জমা ধন আৰু/বা প্ৰতিভূতিসমূহ অনুসৰি সুৰক্ষাৰ বিষয়ে জানক, বিশদভাৱে এজন ডিফল্টাৰ বা ষ্টক ব্ৰ'কাৰ দেউলীয়াৰ ক্ষেত্ৰত আৰু সেই পৰ্যন্ত, য'লৈকে আপুনি ধন আৰু/বা প্ৰতিভূতিসমূহ উচল কৰিব পাৰে, সেই সুসংগত ষ্টক এক্সচেঞ্জৰ উপবিধি আৰু বিনিয়মৰ দ্বাৰা পৰিচালিত হ'ব পাৰে য'ত ট্ৰেড সম্পাদন কৰা হৈছিল আৰু য'ত সময়ে সময়ে কাৰ্যকৰী বিনিয়োগকাৰীৰ সুৰক্ষিত পুঁজিৰ যোজনা প্ৰযোজ্য হয়।

**বিবাদ/অভিযোগ**

18. অনুগ্ৰহ কৰি মনত ৰাখিব মধ্যস্থতাৰ প্ৰক্ৰিয়া, ষ্টক ব্ৰ'কাৰৰ বিপক্ষে দণ্ডণীয় কাৰ্যকৰিতা আৰু ষ্টক ব্ৰ'কাৰৰ বিপক্ষে বিনিয়োগকাৰীৰ অভিযোগৰ বিৱৰণ সম্পৰ্কীয় ষ্টক এক্সচেঞ্জৰ বেৱছাইটত প্ৰদৰ্শিত কৰা হয়।
19. যদি আপোনাৰ বিষয়/সমস্যা/অভিযোগৰ ক্ষেত্ৰত সংশ্লিষ্ট ষ্টক ব্ৰ'কাৰ/চাব ব্ৰ'কাৰৰ দ্বাৰা কৰা নহয় তেন্তে আপুনি এই বিষয়ৰ সংশ্লিষ্ট ষ্টক এক্সচেঞ্জৰ সমকক্ষলৈ লৈ যাব পাৰে। যদি আপুনি আপোনাৰ অভিযোগৰ মীমাংসাত সন্তুষ্ট নহয় তেন্তে আপুনি এই বিষয়টো SEBIলৈ আগুৱাই দিব পাৰে।
20. মনত ৰাখিব যে SEBI-ৰ দ্বাৰা সকলো ষ্টক ব্ৰ'কাৰ/চাব ব্ৰ'কাৰৰ বাবে বিশেষভাৱে অভিযোগ দাখিল কৰাৰ উদ্দেশ্যেৰে অভিযোগ মীমাংসা বিভাগ/পৰিপালন বিষয়াৰ ই-মেইল ID উল্লেখ কৰাটো বাধ্যতামূলক কৰা হ'ল।